DAJ/DJMC - 04

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

হাউচফেড কম্‌প্লেক্স, দিছপুৰ, গুৱাহাটী-৭৮১ ০০৬

অসমীয়া সাংবাদিকতাৰ ডিপ্লমা
সাংবাদিকতা আৰু গণসংযোগৰ ডিপ্লমা

পাঠ্য বিষয়-৪

সংবাদ মাধ্যমৰ আইন আৰু নীতি

পাঠ্য তালিকা ঃ

অধ্যায় ১ ঃ মৌলিক অধিকাৰ
অধ্যায় ২ ঃ জৰুৰীকালীন ব্যৱস্থা আৰু সংসদীয় বিশেষাধিকাৰ
অধ্যায় ৩ ঃ সংবাদ মাধ্যমৰ স্বাধীনতাৰ আইনগত দিশসমূহ
অধ্যায় ৪ ঃ সাংবাদিকৰ অধিকাৰ
অধ্যায় ৫ ঃ সংবাদ মাধ্যমৰ স্বাধীনতা আৰু নীতি
অধ্যায় ৬ ঃ সংবাদ মাধ্যম আৰু গোপনীয়তা

বিষয় বিশেষজ্ঞ মণ্ডলী

শ্রী অভিজিত বৰা, যোগাযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° অংকুৰণ দত্ত, বৃত্তিমুখী সম্প্রদায়, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
শ্রীমতী অঞ্জুমন বৰা, বৃত্তিমুখী সম্প্রদায়, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী

ড° অংকুৰণ দত্ত আৰু **শ্রীমতী অঞ্জুমন বৰা**
শৈক্ষিক পৰামর্শদাতা (গণ সংযোগ), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

লেখক ঃ
নীলোৎপল ডেকা
অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয়

সম্পাদক ঃ
বিষয়বস্তু
অধ্যাপক (ড°) পার্থ চট্টোপাধ্যায়
প্রাক্তন মূৰব্বী, (গণসংযোগ বিভাগ) আৰু
ডীন, অসম বিশ্ববিদ্যালয়

অনুবাদিকা ঃ
মেঘনা চৌধুৰী

ভাষা ঃ
নিভাৰাণী ফুকন

আর্হি ঃ
ড° অংকুৰণ দত্ত

এপ্রিল, ২০০৮

© **কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।**

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্যসংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৰ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়ে�ৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্যবিষয় পৰিচয়

আইনৰ ভাষাত 'অধিকাৰ' হৈছে অসামৰিক সমাজ (Civil Society) এখনত কিবা কৰা বা কিবাৰ পৰা বিৰত থকা বা কিবা বস্তু বা স্বীকৃতি লাভ কৰা বা তেনে স্বীকৃতি লাভৰ পৰা বিৰত থকাৰ আইনগত বা নৈতিক যোগ্যতা। অধিকাৰসমূহে মানুহৰ মাজত পাৰস্পৰিক আদান-প্ৰদানৰ নীতি হিচাপে কাম কৰে। অধিকাৰসমূহে ব্যক্তি বিশেষ বা ব্যক্তি সমষ্টি (group) ৰ কার্যাৱলীৰ ওপৰত বাধ্যবাধকতা আৰোপ কৰে। আনহাতে, নীতিশাস্ত্ৰ (ethics) হৈছে আচৰণৰ মান যিয়ে এটা গ্ৰহণযোগ্য আচৰণৰ পৰা বর্জনীয় আচৰণক পৃথক কৰে। ই শুদ্ধ বা অশুদ্ধ, ভাল আৰু বেয়া, উচিত আৰু অনুচিত, দায়িত্বশীল আৰু দায়িত্বহীন, বাধ্যতামূলক আৰু অনুমোদনযোগ্য, প্ৰশংসাযোগ্য আৰু নিন্দাযোগ্য ইত্যাদিৰ লগত জড়িত। নীতিশাস্ত্ৰৰ নীতিসমূহ আৰু উপযুক্ত অনুশীলনী (good practice) নীতিশাস্ত্ৰ আৰু সাংবাদিকতাৰ মানৰ অন্তর্ভুক্ত যাক পেচাদাৰী সাংবাদিকসকলে সম্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি।

অসমীয়া সাংবাদিকতাৰ ডিপ্লমা আৰু ডি জে এম চি (DJMC) পাঠ্যক্ৰমৰ অন্তর্গত পাঠ্যবিষয় IV -এ আপোনাক সংবাদ মাধ্যমৰ আইন আৰু নীতিসমূহৰ লগত পৰিচয় কৰাই দিব। পাঠ্যবিষয়টি ছটা অধ্যায়ত ভাগ কৰা হৈছে। সেইকেইটা হৈছে ক্ৰমে—

অধ্যায় ১ ঃ মৌলিক অধিকাৰ

এই অধ্যায়টোত আপুনি মৌলিক অধিকাৰ আৰু ইয়াৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে পঢ়িবলৈ পাব। আপুনি 'বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা'ৰ লগত জড়িত আশ্বাস (guarantees) আৰু সীমাবদ্ধতাসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব। ইয়াত আমি আপোনাক ভাৰতৰ সংবিধানত থকা ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতিৰ ধাৰণাৰ লগতো পৰিচয় কৰাই দিম। আমি আশাকৰো যে এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপুনি 'মৌলিক অধিকাৰ', 'বাক স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা' আৰু 'ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশক নীতি'ৰ ধাৰণাৰ লগত পৰিচিত হ'ব পাৰিব।

অধ্যায় ২ ঃ জৰুৰীকালীন ব্যৱস্থা আৰু সংসদীয় বিশেষাধিকাৰ

এই অধ্যায়টোত আপুনি জৰুৰীকালীন অৱস্থাৰ ধাৰণা, জৰুৰীকালীন অৱস্থা, সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰসমূহৰ বিষয়ে জানিব পাৰিব। তদুপৰি আপুনি ভাৰতৰ সংবিধানত থকা জৰুৰুকালীন অৱস্থাৰ বিভিন্ন ব্যৱস্থা আৰু প্ৰকাৰসমূহৰ লগত পৰিচিত হ'ব। লগতে পৰিচিত হ'ব সংবিধানত থকা সংসদীয় আৰু বিধানমণ্ডলীয় বিশেষাধিকাৰসমূহৰ লগত। এই সাংবিধানিক ব্যৱস্থাৱলী থকাৰ বাবে সংবাদ মাধ্যমৰ সংবাদ পৰিবেশনৰ ক্ষেত্ৰত আহি পৰা সীমাবদ্ধতা আৰু প্ৰভাৱসমূহৰ বিষয়েও কিছু কথা জানিব পাৰিব।

অধ্যায় ৩ ঃ সংবাদ মাধ্যমৰ স্বাধীনতাৰ আইনগত দিশসমূহ

এই অধ্যায়টোত আপুনি সংবাদ মাধ্যমৰ লগত জড়িত বিভিন্ন অধিকাৰৰ বিষয়ে জ্ঞান লাভ কৰিব। সংবাদ মাধ্যমে

যোগাযোগৰ এটা অতি শক্তিশালী অনুষ্ঠান হিচাপে কাম কৰে। ইয়াত আমি আপোনাক ভাৰতৰ সংবিধানত থকা সংবাদ মাধ্যমৰ স্বাধীনতাৰ লগত জড়িত আশ্বাস আৰু সীমাবদ্ধতাসমূহৰ লগত পৰিচয় কৰাই দিম। এই অধ্যায়টোৱে আপোনাক ভাৰতত প্ৰচলিত দণ্ড সংক্ৰান্তীয় ব্যৱস্থাৱলীৰ লগতো পৰিচয় কৰাই দিব। এই অধ্যায়ৰ শেষত সাংবিধানিক ব্যৱস্থাৱলী, আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় আইনৰ আধাৰত তথ্য জনাৰ অধিকাৰ ধাৰণাটো বিশ্লেষণ কৰা হৈছে। এইটো আশা কৰা হৈছে যে এই অধ্যায়টো অধ্যয়ন কৰাৰ অন্তত 'চৰকাৰী গোপনীয়তা আইন, 1923' ৰ ওপৰত আপুনি এটা প্ৰাথমিক ধাৰণা লাভ কৰিব পাৰিব।

অধ্যায় ৪ ঃ সাংবাদিকৰ অধিকাৰ

এই অধ্যায়টোত আপুনি Working Journalists and other Newspaper Employees (Conditions of Services & Miscellaneous) Act, 1955 য়ে প্ৰদান কৰা বিভিন্ন কল্যাণমূলক ব্যৱস্থাৰ বিষয়ে পঢ়িবলৈ পাব। ইয়াৰ লগতে আপুনি প্ৰচাৰ ভাৰতীৰ উদ্দেশ্য আৰু Broadcasting Council ৰ গাঁথনি আৰু কাৰ্যাৱলীৰ বিষয়ে পঢ়িবলৈ পাব।

অধ্যায় ৫ ঃ সংবাদ মাধ্যমৰ স্বাধীনতা আৰু নীতি

এই অধ্যায়টোত যেতিয়া আপুনি সংবাদ মাধ্যমৰ স্বাধীনতাৰ বিষয়ে অধ্যয়ন কৰিব, তেতিয়া আপুনি সংবাদ মাধ্যমৰ নীতিৰ লগত পৰিচিত হ'ব যিটো হৈছে সেইটো মূল্য ব্যৱস্থা (Value System) যিয়ে এগৰাকী ব্যক্তিক কি শুদ্ধ, কি অশুদ্ধ, ভাল আৰু বেয়া, উচিত আৰু অনুচিত বিচাৰ কৰাত সহায় কৰে যিয়ে সংবাদ মাধ্যমক নিৰপেক্ষ স্থিতিত বৰ্তি থাকিবলৈ সহায় কৰে। তদুপৰি ইয়াত আপুনি সংবাদ মাধ্যমৰ বাবে প্ৰয়োজনীয় সাধাৰণ নীতিসমূহ যেনে— সত্যবাদিতা, যথাৰ্থতা, বাস্তৱিকতা, নিৰপেক্ষতা, মৰ্যাদা, শুদ্ধতা, সামাজিক দায়িত্ব আৰু মানৱীয়তা ইত্যাদিৰ লগত পৰিচিত হ'ব যিহেতু তথ্যপূৰ্ণ সংবাদ লাভৰ ক্ষেত্ৰত এই দিশসমূহৰ যথেষ্ট গুৰুত্ব আছে। অধ্যায়টোৰ শেষত আপুনি 'Plagiarism' (কুম্ভীলক বৃত্তি) আৰু প্ৰত্যুত্তৰৰ অধিকাৰ'ৰ বিষয়ে পঢ়িবলৈ পাব যিটো এনে এটা অধিকাৰ যিয়ে এগৰাকী ব্যক্তিক তেওঁৰ বিষয়ে প্ৰকাশিত হোৱা বিভ্ৰান্তিকৰ বাতৰিৰ বিষয়ে স্পষ্টীকৰণ দিয়াৰ অধিকাৰ দিয়ে।

অধ্যায় ৬ ঃ সংবাদ মাধ্যম আৰু গোপনীয়তা

এই অধ্যায়টোৱে আপোনাক সংবাদ মাধ্যমৰ গোপনীয়তা ধাৰণাটোৰ লগত পৰিচয় কৰাই দিব। ইয়াত আপুনি চাঞ্চল্যতাবাদৰ ধাৰণা আৰু বৈদ্যুতিক মাধ্যমৰ ওপৰত ইয়াৰ প্ৰভাৱ, Sting Operation-ৰ ধাৰণা, Paparazzi আৰু আইনে ইয়াৰ ওপৰত আৰোপ কৰা বাধা-নিষেধ আৰু সদৌ শেষত হালধীয়া সাংবাদিকতাৰ বিষয়ে ধাৰণা আগবঢ়াব।

DIPLOMA IN JOURNALISM & MASS COMMUNICATION/ASSAMESE JOURNALISM

COURSE: IV:

MEDIA LAWS & ETHICS

DETAILED SYLLABUS

UNIT- 1: CONSTITUTIONAL RIGHTS

Concept of Fundamental Rights, Types of Fundamental Rights, Fundamental Rights under the *Constitution of India,* Concept of Freedom of Speech and Expression, Constitutional Guarantees and Limitations Concept of Directive Principles of State Policy, Differences between Fundamental Rights and Directive Principles of State Policy

UNIT- 2: EMERGENCY PROVISIONS AND PARLIAMENTARY PRIVILEGES

Emergency and State of Emergency: Concepts , Constitutional Emergency Provisions , Code of Conduct for the Press, 1971, Effect of Emergency Provisions on Media freedom Parliamentary and Legislative Privileges: Concept , Constitutional Provisions on Parliamentary and Legislative Privileges, Freedom of speech Right of publication of proceedings Law Courts and Privileges, Some points on Parliamentary and Legislative Privileges , Effect of Parliamentary and Legislative Privileges on Media Reporting

UNIT- 3: LEGAL ASPECTS OF MEDIA FREEDOM

Media Freedom, Concept History of Media Freedom Media Freedom, Constitutional Guarantees and Reasonable Restrictions, Defamation: Concept Kinds, Defamation and Law Liabilities of Different Persons as regards Defamation, Official Secrets Act, 1923, Right to Information: Concept, Right to Information: A Human Right Right to Information, International Standards Right to Information, Indian Perspectives Right to Information Act, 2005.

UNIT- 4: RIGHTS OF JOURNALISTS

Press Council of India, Ethics of Journalism, Working Journalists and Other Newspaper Employees (Conditions of Services & Miscellaneous Provision) Act, 1955 Prasar Bharati (Broadcasting Corporation of India) Act, 1990

UNIT- 5: MEDIA FREEDOM

Media freedom, Need for restraint on media freedom, Media and importance of ethics, Media Code of Ethics, Common elements of Media Code of Ethics, Plagiarism, Compliance of Ethical Standards, Right of Reply

UNIT- 6: MEDIA AND PRIVACY

Media and Intrusion into Privacy, Privacy under International Law, Privacy and Indian Legal Provisions, Sensationalism: Development of the Concept, Sensationalism in Electronic Media, Sting Operations, Operation West End: Tehelka.com, Sting operations in Movies, Novels, Comics and TV Serial, Paparazzi and Celebrities, Restrictions on Paparazzi and Laws, Yellow Journalism, Yellow Journalism Today

DAJ/DJMC-04

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বৃত্তিমুখী সম্প্রদায়

অসমীয়া সাংবাদিকতাৰ ডিপ্লমা
সাংবাদিকতা আৰু গণসংযোগৰ ডিপ্লমা
পাঠ্যবিষয়-৪

মাধ্যম আইন আৰু নীতি

অধ্যায় ১
মৌলিক অধিকাৰ

অধ্যায় ২
জৰুৰীকালীন ব্যৱস্থা আৰু সংসদীয় বিশেষাধিকাৰ

অধ্যায় ৩
সংবাদ মাধ্যমৰ আইনগত দিশসমূহ

অধ্যায় ৪
সাংবাদিকৰ অধিকাৰ

অধ্যায় ৫
সংবাদ মাধ্যমৰ স্বাধীনতা আৰু নীতি

অধ্যায় ৬
সংবাদ মাধ্যম আৰু গোপনীয়তা